# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৬৭/২০২০

## ক'ভিড-১৯ সন্দৰ্ভত বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ মূৰব্বীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## লক্-ডাউন মানি চলাৰ জৰিয়তে সামাজিক দূৰত্ব বৰ্তাই ৰাখিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৯ এপ্ৰিল ঃ** ৰাজ্যখনৰ কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ধৰ্মীয় অনুষ্ঠানসমূহে ল'বলগীয়া ভূমিকা সন্দৰ্ভত আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিভিন্ন ধৰ্মীয় সংস্থাৰ মূৰব্বীসকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এক বৈঠকত মিলিত হয়। কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সমাজৰ প্ৰতিটো অংশৰ লোকে যাতে লক্-ডাউনৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলে তাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

বৈঠকত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে আজি সমগ্ৰ বিশ্বই ঐক্যবদ্ধভাৱে যুঁজ দি আহিছে। কৰ'না ভাইৰাছে জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে ৰজা-প্ৰজা সকলোকে আক্ৰান্ত কৰিছে আৰু প্ৰতিটো জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোক মৃত্যু মুখত পৰিছে। সেইবাবে আমি সকলোৱে এই সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে ঐক্যবদ্ধভাৱে যুঁজ দিবই লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক দূৰত্ব বজাই ৰাখি নিজৰ ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকি ২১ দিনীয়া লক্-ডাউনৰ কাৰ্যসূচী জনসাধাৰণৰ হাতত অৰ্পণ কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ পদক্ষেপৰ বাবেই কৰ'না ভাইৰাছৰ বিৰুদ্ধে এই যুঁজত আমাৰ দেশ এই মূহুৰ্তলৈকে তুলনামূলকভাৱে ভাল স্থিতিত আছে। স্বাধীনতাৰ পিছত পোনপ্ৰথমবাৰৰ বাবে আমাৰ দেশে ইমান দীঘলীয়া সময়ৰ বাবে লক্-ডাউনৰ অভিজ্ঞতা লাভ কৰিছে বুলি উল্লেখ কৰি ইয়াক সফল কৰাৰ বাবে তেওঁ সমাজৰ সকলো স্তৰৰ ৰাইজকে চৰকাৰৰ প্ৰতি সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

কৰ'না ভাইৰাছৰ কোনো ঔষধ বৰ্তমানলৈকে আৱিস্কাৰ হোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একমাত্ৰ সামাজিক দূৰত্ব বজাই ৰাখি ইয়াৰ বিৰুদ্ধে আমি যুঁজ দিব লাগিব। এই ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ মূৰব্বীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে সমাজত ধৰ্মৰ এক বৃহৎ প্ৰভাৱ আছে। সেয়েহে প্ৰতিটো ধৰ্মৰ ধৰ্মগুৰুসকলে নিজৰ ধৰ্মৰ অনুগামী তথা ভক্তসকলক এই ৰোগৰ ভয়াৱহতাৰ বিষয়ে অৱগত কৰি সামাজিক দূৰত্ব বজাই ৰাখি ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থকাৰ বাৰ্তা প্ৰেৰণ কৰিব লাগিব। কোনো ক্ষেত্ৰতে ধৰ্মীয় উপাসনাৰ নামত যাতে জনসমাগমৰ সূচনা নহয়, সেই দিশত ধৰ্মগুৰু সকলে জনসচেতনতাৰ সৃষ্টিৰ ক্ষেত্ৰতো আগভাগ ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো ধৰ্মৰ লোকে ধৰ্মীয় উপাসনাস্থলীত সমবেত নোহোৱাকৈ নিজস্ব গৃহতে প্ৰাৰ্থনা, নামাজ ইত্যাদি কৰিব লাগিব।

এই কৰ'না ভাইৰাছৰ নামত যাতে জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ নামত কোনেও সমাজত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব নোৱাৰে সেই দিশতো সচেষ্ট হৈ থাকিবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়।

ছ'চিয়েল মিডিয়াৰ জৰিয়তে কোনেও যাতে আপত্তিজনক মন্তব্য আৰু উৰা-বাতৰি বিয়পাব নোৱাৰে সেই বিষয়তো সচেষ্ট হৈ থাকিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। সামাজিক মাধ্যমত উচতনিমূলক মন্তব্য প্ৰদানেৰে সমাজত অস্থিৰতাৰ পৰিৱেশ সৃষ্টি কৰাৰ পৰা নিজৰ অনুগামীসকলক বিৰত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় অনুষ্ঠানসমূহৰ মুৰব্বীসকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য বিভাগে দিয়া নীতি-নিৰ্দেশনাৱলী অনুসৰণ কৰি আমি কৰ'না ভাইৰাছৰ বিৰুদ্ধে সূচনা হোৱা যুঁজখন অধিক শক্তিশালী কৰি তুলিব লাগিব। লক্-ডাউনৰ নীতি-নিৰ্দেশনা মানি চলা লোকসকলক প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে ইয়াক ইচ্ছাকৃতভাৱে উলংঘা কৰা সকলক কঠোৰ সকিয়নিও প্ৰদান কৰে। এই কঠিন সময়ত এই ধৰ্মগুৰুসকলক সমাজৰ মনোবল আৰু দৃঢ়তা বৃদ্ধি কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো ধৰ্মত অন্তৰ্নিহিত আধ্যাত্মিক শক্তিৰ দৃঢ়তাৰেও আমি কৰ'নাৰ বিৰুদ্ধে এই যুঁজত জয়লাভ কৰিব লাগিব।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক বিমল বৰা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ লগতে ৰাজ্যখনৰ **১৬** টা কৈ ধৰ্মীয় অনুষ্ঠানৰ প্ৰতিনিধিসকলো উপস্থিত থাকে।

**স্বাঃডেঃ / প্ৰঃকুঃবঃ / পুঃডেঃ**
**৯/৪/২০২০**